অধ্যায় ৮ ঃ লক্ষ্মীনাথ ফুকন ঃ 'মহিমাময়ী'

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ লক্ষ্মীনাথ ফুকন ঃ জীৱন আৰু কৃতি
৮.৩.১ লক্ষ্মীনাথ ফুকনৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ
৮.৪ 'মহিমাময়ী'
৮.৪.১ গল্পটোৰ কাহিনীভাগ
৮.৪.২ গল্পটোৰ চৰিত্ৰসমূহ
৮.৪.৩ গল্পটোৰ সাধাৰণ আলোচনা
৮.৪.৪ গল্পটোৰ বিশেষত্ব
৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ।
৮.৬ অধিক জানিবলৈ
৮.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৮.৮ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া গল্পৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে সম্যক ধাৰণা দাঙি ধৰিব পাৰিব
- লক্ষ্মীনাথ ফুকনৰ জীৱন আৰু কৃতি সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিব
- লক্ষ্মীনাথ ফুকনৰ গল্প তথা তেওঁৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰিব পাৰিব
- 'মহিমাময়ী' গল্পটিৰ কাহিনী, চৰিত্ৰ, গল্পটিৰ বিশেষত্ব আদিৰ যথাযথ ব্যাখ্যা আগবঢ়াব পাৰিব।

৮.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষাণ্মাসিকৰ প্ৰথম বুনিয়াদী পাঠ্যবিষয়ৰ 'অসমীয়া চুটিগল্প' শীৰ্ষক পাঠ্যবিষয়ৰ এইটো অষ্টম অধ্যায়। ইয়াত লক্ষ্মীনাথ ফুকনৰ 'মহিমাময়ী' চুটি গল্পটোৰ আলোচনা কৰা হৈছে। আপুনি ইতিপূৰ্বে নিশ্চয় জানিবলৈ পাইছে যে, অসমীয়া সাহিত্যত জোনাকী যুগত চুটিগল্প-সাহিত্যৰ শুভাৰম্ভ ঘটিছে। এই সময়ছোৱাতে সাহিত্য সম্পৰ্কীয় নতুন চিন্তা-চেতনাৰ উন্মেষ ঘটিছে আৰু অসমীয়া সাহিত্যলৈ নতুন নতুন সাহিত্য ৰূপৰ আমদানি ঘটিছে। এই প্ৰসঙ্গত সত্যেন্দ্ৰনাথ শৰ্মাই আগবঢ়োৱা মতৰ কথা মনত পেলাব পাৰি; তেওঁ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* উল্লেখ কৰিছে,"উপন্যাস আৰু চুটিগল্প পাশ্চাত্য সাহিত্য অধ্যয়নৰ

প্রত্যক্ষ ফল। প্রাচীন সংস্কৃত সাহিত্যত গদ্য ৰচনা কৰা কাব্যধর্মী আখ্যায়িকাৰ লগত বর্তমান উপন্যাসৰ কোনো যোগসূত্র নাই। অলৌকিকতাৰ নাইবা ধর্মীয় এক দেশদর্শিতাৰ পৰা মুক্ত বর্তমান উপন্যাস আৰু চুটিগল্প বাস্তৱতাৰ ওপৰত প্রতিষ্ঠিত আৰু মানৱ জীৱনৰ ঐহিক সুখ-দুখৰ কথাই ইয়াৰ উপজীব্য।"

আপুনি নিশ্চয় জানে যে, লক্ষ্মীনাথ বেজবৰুৱা হৈছে অসমীয়া গল্পৰ জনক। নগেন শইকীয়াৰ মতে, *জোনাকী* আলোচনীখনৰ চতুর্থ বছৰৰ চতুর্থ সংখ্যাত প্রকাশ পোৱা লক্ষ্মীনাথ বেজবৰুৱাৰ 'সেউতী' নামৰ চুটিগল্পটিয়েই হ'ল অসমীয়া চুটিগল্পৰ প্রথম নিদর্শন। ইয়াৰ পৰৱর্তী কালত *আৱাহন, জয়ন্তী, ৰামধেনু, মণিদীপ, প্রকাশ, সূত্রধাৰ, প্রান্তিক, গৰীয়সী* আদি আলোচনীয়ে অসমীয়া চুটিগল্পৰ সুঁতিটো শক্তিশালী ৰূপত বোৱাই ৰাখিবলৈ সক্ষম হৈছে। বাস্তৱ অভিজ্ঞতাভিত্তিক কাহিনী কথনৰ দিশত প্রতিখন আলোচনীয়েই নিজা নিজা অৱদান আগবঢ়াইছে। আমি মনত ৰখা ভাল যে, এইকেইখন আলোচনীৰ বাদেও অন্যান্য বিবিধ আলোচনীয়ে অসমীয়া গল্পৰ ধাৰা শক্তিশালী কৰি তোলাত গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছে। ভালেকেইজন গল্পকাৰে কেইবাখনো আলোচনীত নিজৰ অৱদান আগবঢ়াবলৈ সক্ষম হৈছে। তদুপৰি একাধিক গল্পকাৰে একেৰাহে কেইবা বছৰলৈকে গল্প ৰচনা কৰি গৈছে। এনে গল্পকাৰৰ ভিতৰত উল্লেখযোগ্য এগৰাকী গল্পকাৰ হ'ল লক্ষ্মীনাথ ফুকন। এই অধ্যায়ত লক্ষ্মীনাথ ফুকনৰ গল্প সম্পর্কে আলচ কৰাৰ প্রয়াস কৰা হৈছে।

৮.৩ লক্ষ্মীনাথ ফুকন ঃ জীৱন আৰু কৃতি

আপুনি জানি থওক যে, সাংবাদিক, কবি আৰু গল্পকাৰ হিচাপে প্রসিদ্ধি অর্জন কৰা লক্ষ্মীনাথ ফুকনৰ জন্ম হয় 29 জানুৱাৰী, 1894 খ্রীষ্টাব্দত দেৱগাঁৱত। দেৱগাঁও বেজবৰুৱা স্কুল, গোলাঘাট বেজবৰুৱা হাইস্কুল আৰু যোৱহাট চৰকাৰী হাইস্কুলত তেওঁ শিক্ষা গ্রহণ কৰে। প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হোৱাৰ পাছত দেৱগাঁও বেজবৰুৱা স্কুল আৰু ডিব্রুগড়ৰ জর্জ ইনষ্টিটিউটত তেওঁ শিক্ষকতা কৰে।

তেওঁৰ সাহিত্যিক জীৱন সম্পর্কে উপেন্দ্র বৰকটকীয়ে উল্লেখ কৰিছে যে, লক্ষ্মীনাথ ফুকন [1894–1975] একাধাৰে এজন সাংবাদিক, কবি আৰু গল্পকাৰ। *মালা* [1918], *ওফাইডাং* [1952], *মৰমৰ মাধুৰী* [1963], *আশাত উৎফুল্ল প্রাণ* [1965] আৰু *আনন্দে নধৰে হিয়া* [1967] —ফুকনৰ গল্প সঙ্কলন। *সোণালী সপোন* [1964] তেওঁৰ কবিতাৰ সঙ্কলন। ফুকনৰ একমাত্র উপন্যাস *পুঁৱতি নিশাৰ সুৰ* [1973] আৰু শিশু উপন্যাস *বাপুকণ* [1987]। উল্লেখযোগ্য যে, ওঠৰগৰাকী বৰণীয় ব্যক্তিক লৈ ফুকনে ৰচনা কৰা জীৱনীমূলক গ্রন্থ *মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈৰ* বাবে তেওঁ 1970 চনত 'সাহিত্য অকাডেমী বঁটা' লাভ কৰে। তদুপৰি অসমৰ সাংবাদিকতাৰ জগতত লক্ষ্মীনাথ ফুকন এটি চিনাকি নাম। সাংবাদিক হিচাপে লক্ষ্মীনাথফুকনৰ প্রতিভাৰ প্রসঙ্গতপ্রখ্যাত সাংবাদিক প্রফুল্লচন্দ্র বৰুৱাইউল্লেখ কৰিছে, *অৰুনোদই, আসাম বিলাসিনী, আসাম নিউচ, এডভোকেট অৱ আসাম*ক বাদ দিলে সংবাদ-পত্র আৰু

সাংবাদিকতাৰ বুৰঞ্জী হ'ল প্ৰকৃতপক্ষে লক্ষ্মীনাথ ফুকনৰ সাংবাদিক জীৱনৰ বুৰঞ্জী।

আপোনাক জনাই থওঁ যে, ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত *আলোচনী*নামৰ কাকতত ফুকনে সাংবাদিক জীৱনৰ পাতনি মেলে। পৰৱৰ্তী কালত তেওঁ কলিকতাৰ পৰা প্ৰকাশিত *অমৃত বাজাৰ পত্ৰিকা, ষ্টেট্‌ছমেন, ফৰৱাৰ্ড, ইণ্ডিপেণ্ডেণ্ট*আদি কাকতৰ সহকাৰী সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ফুকনে *সাদিনীয়া বাতৰি* [1935], *দৈনিক বাতৰি* [1936] আৰু *হিন্দুস্থান ষ্টেণ্ডাৰ্ড* [1938–39]ৰ সহকাৰী সম্পাদক হিচাপেও দায়িত্ব পালন কৰিছিল। আনহাতে, *টাইমছ অৱ আছামৰ* সম্পাদনাৰ [1922] দায়িত্ব বহন কৰা ফুকনে *আলোচনী* [1921], *সাদিনীয়া অসমীয়া* [1927] আৰু *তিনিদিনীয়া অসমীয়া* [1930]ৰ সম্পাদক হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। *দি আছাম ট্ৰিবিউন* [1939] কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে যোগদান কৰি তেওঁ 1964 চনত তাৰ পৰা অৱসৰ গ্ৰহণ কৰে।

1975 চনৰ 4 এপ্ৰিলত লক্ষ্মীনাথ ফুকনে ইহলীলা সম্বৰণ কৰে।



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ লক্ষ্মীনাথ ফুকনৰ সংক্ষেপ পৰিচয় আগবঢ়াওক। [50 টা শব্দৰ ভিতৰত)

৮.৩.১ লক্ষ্মীনাথ ফুকনৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ

আপুনি জানি থওঁক যে, লক্ষ্মীনাথ ফুকনে *আলোচনী* [1910–1917]ৰ পাততে প্ৰথম গল্প লিখিবলৈ আৰম্ভ কৰে। তৎপৰৱৰ্তী আৱাহন যুগত তেওঁ এগৰাকী বিশিষ্ট লেখক হিচাপে পৰিগণিত হ'ল। ইতিপূৰ্বে গম পাইছেই যে তেওঁ ৰামধেনু যুগতো গল্প লিখিছে। *আলোচনীত* প্ৰকাশিত ফুকনৰ কোমল বয়সৰ অপৰিপক্ক লেখাসমূহে আৱাহন যুগত প্ৰকাশিত *মালা, ওফাইডাং, মৰমৰ মাধুৰী*আদি সঙ্কলনসমূহত পৰিপক্কতা লাভ কৰিছে। তেওঁৰ 'মেধি', 'টাইপিষ্টৰ জীৱন', 'বিহু সন্মিলন', 'মহিমাময়ী' আদি বহুপথিত আৰু বহুলভাৱে সমাদৃত গল্প। ফুকনৰ আৰম্ভণিৰ সময়ৰ গল্পসমূহত; বিশেষকৈ *মালা* সঙ্কলনটিৰ গল্পত তাৰুণ্যৰ ছাপ পৰা বুলি সমালোচকসকলে মন্তব্য কৰিছে। কিন্তু পৰৱৰ্তী সঙ্কলনসমূহত পৰ্যায়ক্ৰমে হাস্য-ব্যঙ্গ আৰু মানৱীয় আদৰ্শবাদৰ প্ৰকাশ আৰু বিকাশ লক্ষ্য কৰিব পাৰি।

সাহিত্য সমালোচকসকলে লক্ষ্মীনাথ ফুকনৰ গল্পৰ বিবিধ দিশ সম্পৰ্কে আলোচনা আগবঢ়াইছে। তেওঁৰ গল্পৰ বৈশিষ্ট্যৰ বিচাৰ প্ৰসঙ্গত সমালোচকসকলে আগবঢ়োৱা মতামত সম্পৰ্কে আমি আলোচনা আগবঢ়ালো। ফুকনৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে চন্দ্ৰপ্ৰসাদ শইকীয়াই উল্লেখ কৰিছে, "মানুহৰ চৰিত্ৰ অঙ্কনত তেওঁ আছিল অসাধাৰণ, হাস্যৰস সৃষ্টিত আছিল তেওঁ নিপুণ। সমাজত স্বীকৃতি নোপোৱা সাধাৰণ মানুহৰ মাজত থকা মানৱসুলভ গুণৰাশি ফুটাই তোলাত তেওঁৰ ক্ষমতা অসীম।"

ফুকনৰ গল্প সম্পৰ্কে হৰিনাথ শৰ্মা দলৈয়েও মত প্ৰকাশ কৰিছে যে, "অসমীয়া মধ্যবিত্ত লোকৰ সুখ-দুখ, মান-অভিমান আদি চাৰিত্ৰিক বিশেষত্ববোৰক ৰূপ দিয়াটো ফুকনৰ গল্পৰ মাজত প্ৰকাশিত বিশেষত্ব। তেওঁৰ 'ওফাইডাং', 'প্ৰাইভেট চেক্ৰেটৰী', 'মহিমাময়ী', 'মেধি' আদি গল্পবোৰ একোটা মানৱীয় দিশ প্ৰকাশৰ কাৰণে উল্লেখযোগ্য। গোটেইবোৰ গল্পৰ চৰিত্ৰই স্বাভাৱিক পৰিমণ্ডলত বিচৰণ কৰিছে। তেওঁৰ ভাষাত কৃত্ৰিমতা নাই, বৰ্ণনাৰ মাজতো সূক্ষ্ম পৰ্যবেক্ষণ দেখা যায়।"

ত্ৰৈলোক্যনাথ গোস্বামীৰ মতে, "লক্ষ্মীনাথ ফুকনৰ গল্পত কলা-কৌশলৰ বিচিত্ৰতা নাথাকিলেও ফুকনে গল্প ক'ব জানে, বিশেষকৈ ব্যঙ্গাত্মক গল্প। ...ফুকনৰ বেছিভাগ গল্প ব্যঙ্গাত্মক।জৈৱিক আৰু সামাজিক সমস্যাক লৈ ৰচিত গল্পকেইটাৰ মাজতো ব্যঙ্গাত্মক মনোভাৱ আছে। সুবিধা পালেই ই প্ৰকাশৰ বাটলৈ আহে।"

আধুনিক সভ্যতাৰ বুকুত জীপ লোৱা ধনী আৰু মধ্যবিত্ত এদল মতা-তিৰোতাৰ বাহিৰ শুৱনি কিন্তু ভিতৰ ফোপোলা জীৱনৰ ছবি তেওঁ যেনেকৈ আঁকিব পাৰিছে আনে তেনেকৈ পৰা নাই। 'ওফাইডাং', 'মহিমাময়ী', 'বিহু সন্মিলন', 'নতুন সুৰ' প্ৰভৃতি গল্পত এদল লোকৰ জীৱনৰ অন্তঃসাৰশূন্যতা স্পষ্ট কৰা হৈছে। ফুকনৰ কৃতিত্ব স্পষ্ট চৰিত্ৰাঙ্কনত। এগৰাকী আলোচকে কৰা মন্তব্যৰ আঁত ধৰি ক'ব পাৰি যে তেওঁৰ *মৰমৰ মাধুৰীত* সন্নিৰিষ্ট হোৱা গল্পকেইটাৰ ভিতৰতো স্পষ্ট চৰিত্ৰাঙ্কনেই বিশেষত্ব। মেৰি, ডাক্তৰ চলিহা, ৰূপালী প্ৰভৃতি চৰিত্ৰবোৰ সজীৱ। এই সজীৱতা নানান ঘাত-প্ৰতিঘাতৰ পৰা উৎপন্ন নহয়, কিন্তু সৰল আৰু পোনপটীয়া বৰ্ণনা বা সংলাপৰ যোগেদি প্ৰকাশিত। ফুকনৰ ব্যঙ্গাত্মক গল্পবোৰ বেছ সৰস। হাস্যৰস সৃষ্টিত ফুকনৰ হাত আছে। শব্দ-গাঁথনিৰ অসাম্যৰ যোগেদি ফুকনে হাস্যৰস সৃষ্টি নকৰে। চৰিত্ৰৰ অন্তৰ্দ্বন্দ্ব আৰু সেইবোৰৰ কাৰ্য আৰু কথাৰ বৈষম্যৰ ভিতৰেদি তেওঁ হাস্যৰস ফুটাই তোলে। তেওঁৰ হাস্যৰস বুদ্ধিদীপ্ত। হাস্যৰস অৱতাৰণাৰ অৰ্থে ইংৰাজী, হিন্দী, বঙালী প্ৰভৃতি শব্দৰ প্ৰয়োগ তেওঁৰ লেখাত নাই। হাস্যৰস ফুটাই তুলিলেও চৰিত্ৰৰ ব্যক্তিগত বৈশিষ্ট্যৰ কথা তেওঁ পাহৰি নাযায়। ভাবৰ বিশ্লেষণ আৰু ভাষাৰ ব্যৱহাৰত লেখকে সংযমৰ জৰী ঢিলাই নিদিয়ে আৰু ভাব-প্ৰৱণতাকো যেনিয়ে-তেনিয়ে বৈ পৰিবলৈ এৰি নিদিয়ে। বস্তু, পৰিস্থিতি আৰু শব্দ নিৰ্বাচন কৌশল ফুকনৰ আছে। ফুকনৰ বাক্যৰীতি অজটিল। প্লটৰ গঠনৰ মাজতো অনাৱশ্যকীয় মেৰপাকৰ আবেষ্টন নাই।

আন এগৰাকী বিশিষ্ট গল্পকাৰ তথা সমালোচক যোগেশ দাসে উল্লেখ কৰিছে যে, প্ৰসিদ্ধ সাংবাদিক লক্ষ্মীনাথ ফুকনে জোনাকী যুগৰ পৰাই গল্প লিখিবলৈ আৰম্ভ কৰি ৰামধেনু যুগলৈকে লিখি আছিল। তেওঁৰ মতে, "তেওঁৰ গল্পবোৰ দীঘলীয়া আৰু ঢিলা বান্ধৰ হ'লেও নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ নানান দুৰ্বলতাক ব্যঙ্গ কৰি যি ৰস সৃষ্টি কৰিছে সেয়ে বেজবৰুৱাৰ কথা মনত পেলাই দিয়ে। মানুহৰ দুৰ্বলতাৰ আঁৰত লুকাই থকা চৰিত্ৰৰ স্বৰূপ উদ্‌ঘাটন ফুকনৰ এটা বিশেষত্ব; ইয়াক প্ৰকাশ কৰিবৰ কাৰণে তেওঁ

একোটা চৰিত্রৰ চৌপাশে নানান ঘটনাৰ সমাবেশ কৰে।"

পৰাগ কুমাৰ ভট্টাচার্যই মন্তব্য কৰিছে যে, "*বাঁহী, আৱাহন* আৰু *জয়ন্তী*ৰ যোগেদি গল্পকাৰ ৰূপে প্ৰতিষ্ঠিত হোৱা লক্ষ্মীনাথ ফুকনৰ গল্পত সাধাৰণতে ধনী আৰু মধ্যবিত্ত মানুহৰ বিলাসবহুল আৰু পাতল জীৱনধাৰাৰ চিত্ৰ প্ৰকাশিত হৈছে। কেতিয়াবা তেওঁ হাস্য-ব্যঙ্গৰ সংযোগেৰে সংস্কাৰৰ চেতনা মূৰ্ত কৰি তুলিছে। মধ্যবিত্ত জীৱনৰ অভাৱ-অভিযোগ আৰু নানা সমস্যাকো তেওঁ ৰূপ দিবৰ চেষ্টা কৰিছে। বৰ বৰ কথা কৈ নিজৰ নিঃস্বতাক ঢাকি ৰাখিব খোজা ব্যক্তিৰ জীৱন চিত্ৰও তেওঁ সমুজ্জ্বল কৰি তুলিছে। আনহাতে, সাধাৰণ ব্যক্তিসকলৰ অন্তৰৰ মহৎ গুণৰ আভাসো তেওঁ গল্পত দাঙি ধৰিছে। ফুকনৰ গল্প কোৱাৰ ভঙ্গী মনোৰম। হাস্য, ব্যঙ্গ, শ্লেষ আদিৰ যোগেদি তেওঁ সুন্দৰভাৱে কাহিনী কৈ যায়। গল্পৰ সমাপ্তিবোৰো আকর্ষণীয়।"

আনন্দ বৰমুদৈয়ে মত প্ৰকাশ কৰিছে যে, "প্ৰতিষ্ঠিত যিকেইজন লিখকে *ৰামধেনু*তো লিখিছিল, সেইসকলৰ ভিতৰত অননুকৰণীয় ভঙ্গীত লিখা মানুহজন লক্ষ্মীনাথ ফুকন। নিৰাবেগ বস্তুনিষ্ঠ বর্ণনা আৰু বিদ্বেষহীন হাস্য ফুকনৰ স্বকীয় বৈশিষ্ট্য। নাটকীয় পৰিস্থিতি উদ্ভাৱনী কৌশলত ফুকন সিদ্ধহস্ত। দৃষ্টিকোণৰ অভাৱত তেখেতৰ ভালেসংখ্যক চুটিগল্প সন্তোষজনক পৰিণতিৰ পৰা বঞ্চিত।"

লীলাৱতী শইকীয়া বৰাই উল্লেখ কৰিছে যে, "*আলোচনী*ৰ পাতত আত্মপ্ৰকাশ কৰি *আৱাহন*ৰ মাজেৰে প্ৰতিষ্ঠা লাভ কৰা লক্ষ্মীনাথ ফুকন এগৰাকী সমাজ-সচেতন লেখক। সমাজৰ বাস্তৱ সমস্যা আৰু ব্যক্তি জীৱনৰ দুখ-দুর্দশা, হতাশা-নিৰাশা আদি তেওঁৰ গল্পত অতি বাস্তৱধর্মী ৰূপত প্ৰকাশ পাইছে।"

আনহাতে, প্ৰহ্লাদ কুমাৰ বৰুৱাই উল্লেখ কৰিছে, "আৱাহন যুগৰ গল্পকাৰসকলৰ ভিতৰত লক্ষ্মীনাথ ফুকনৰ গল্পত সমাজ সমালোচনা অতি প্ৰখৰ অথচ পোনপটীয়া নহয়।..." লক্ষ্মীনাথ ফুকনৰ গল্পৰ বৈশিষ্ট্য সম্পর্কে বৰুৱাই পুনৰ উল্লেখ কৰিছে যে, "*আৱাহন* আলোচনী প্ৰকাশৰো প্ৰায় ডেৰ দশকৰ আগতে গল্পলেখক হিচাপে আত্মপ্ৰকাশ কৰা লেখক লক্ষ্মীনাথ ফুকন আৱাহন যুগৰ এগৰাকী বিশিষ্ট লেখক। আৱাহন যুগৰ লেখক হ'লেও ফুকনে ৰামধেনু যুগলৈকে, অর্থাৎ সত্তৰৰ দশকলৈকে নিৰবচ্ছিন্নভাৱে গল্প লিখি আছিল। কিন্তু সিয়ে হ'লেও গল্পৰ আঙ্গিক বৈশিষ্ট্যৰ ফালৰ পৰা লক্ষ্মীনাথ ফুকন আৱাহন যুগৰহে লেখক। লক্ষ্মীনাথ ফুকনৰ গল্পৰ বান্ধোন সাধাৰণতে শিথিল। গল্পৰ সুসংগত গাঁথনিৰ দিশত ফুকনৰ গল্পৰ শিল্পমূল্য দেখা নাযায়। অথচ ফুকনৰ গল্প সুখপাঠ্য। তাৰ কাৰণ বহুতো। প্ৰথম কাৰণটোৱেই হ'ল ফুকনৰ ভাষাৰ কোমলতা আৰু খাচ অসমীয়া ভাষাৰ প্ৰয়োগ।" ফুকনৰ ভাষাৰ মোহনীয় শক্তিৰ বিষয়ে বিৰিঞ্চি কুমাৰ বৰুৱাই কৈছে— "Lakshminath Phukan uses spoken language and idioms with nice discrimination and great telling effect. A sense of humour is an additional virtue of his fascinating and picturesque

writing. ...নিভাঁজ গ্রাম্য ভাষাৰ প্রয়োগৰ উপৰিও উপমাধর্মী ভাষাৰ প্রয়োগৰ বাবে লক্ষ্মীনাথ ফুকনৰ গল্প উপাদেয় হৈ পৰে।... লক্ষ্মীনাথ ফুকনৰ গল্প সুখপাঠ্য যদিও চুটিগল্পৰ কলা-কৌশলৰ দিশত কিন্তু উন্নত নহয়। কাৰণ চুটিগল্পত জীৱনৰ খণ্ডিত অৱস্থা এটাৰ মাজেদি জীৱনৰ বিচিত্রতাক নিৰীক্ষণ কৰা হয়। কিন্তু লক্ষ্মীনাথ ফুকনৰ গল্পত জীৱনৰ ব্যাপক অংশ সামৰি লোৱা বাবে একেটা গল্পতে বহু ঘটনাৰ সমাৱেশ হৈছে। ইয়াৰ ফলত গল্প অনাৱশ্যকভাৱে যথেষ্ট দীঘল হৈ পৰে।"

ফুকনৰ গল্পত সমাজৰ প্রতি এক বিশেষ দৃষ্টিভঙ্গী পৰিলক্ষিত হয়। সমাজৰ অশুভ শক্তি অথবা অন্তঃসাৰশূন্য মানসিকতাৰ শ্রেণীৰ প্রতি ফুকনৰ ব্যঙ্গ দৃষ্টি অতি প্রখৰ। আনহাতে, দেখা যায় যে, "ফুকনৰ গল্পত গভীৰ জীৱন জিজ্ঞাসাৰ অভাৱ। ফুকনৰ গল্পত যি গভীৰ সংবেদনশীলতা অনুভূত হয়, সেয়া গভীৰ জীৱন জিজ্ঞাসাজনিত নহয়। ফুকন বাস্তৱ সমাজ আৰু বাস্তৱ জীৱনৰ ৰূপকাৰ। সমাজৰ বাস্তৱ সমস্যা আৰু ব্যক্তি জীৱনৰ দুখ-যন্ত্রণা, হতাশা-নিৰাশা আদিক বাস্তৱ ৰূপত ভাষাৰ সাৱলীলতা আৰু বর্ণনা চাতুর্যৰে ক'ব জানে বাবেই ফুকনৰ গল্প জনপ্রিয় আৰু সংবেদনশীল হৈ উঠিছে।"

নগেন শইকীয়াই এই প্রসঙ্গত মত প্রকাশ কৰিছে, "ফুকনৰ যি কোমল হাস্যৰস সম্পৃক্ত, বদ্ধিদীপ্ত, পর্যবেক্ষণ শক্তিয়ে চৰিত্রৰ অন্তৰ আৰু বাহিৰৰ বিৰোধ প্রকাশ কৰে সি লক্ষ্যণীয়। অজটিল ফর্মৰ ফ্রেমত সুসংবদ্ধভাৱে কাহিনীৰ উপস্থাপন আৰু আন্তৰিক সহানুভূতিৰে চৰিত্র চিত্রণ ফুকনৰ অন্যতম বৈশিষ্ট্য।"

উপেন্দ্রনাথ শর্মাই উল্লেখ কৰিছে, "লক্ষ্মীনাথ ফুকনে *আৰাহন* ওলোৱাৰ প্রায় এযুগ আগতে 1918 চনত তেওঁৰ প্রথম গল্প সঙ্কলন উলিয়ায়। ...তেওঁৰ গল্পত সামাজিক জীৱনৰ মুখাবোৰ হাস্যৰসসিক্ত ৰূপত উদ্ভাসিত হয়। জীৱনৰ শ্লেষাত্মক অভিঘাত চিনাক্তকৰণৰ ক্ষেত্রতো তেওঁৰ কৌশল প্রণিধানযোগ্য।"

হাস্য-ব্যঙ্গৰ প্রয়োগ ফুকনৰ গল্পৰ মন কৰিবলগীয়া দিশ। এই প্রসঙ্গত সমালোচকসকলে উল্লেখ কৰিছে যে, "অকল বাক-চাতুর্যৰে হাস্যৰস সৃষ্টি নকৰি ফুকনে চৰিত্রৰ কথা আৰু কার্যৰ মাজত থকা বিৰোধৰ নিপুণ অথচ সৰল বর্ণনাৰে ভিতৰৰ ফোপোলা জীৱন উদঙাই দেখুৱায়।"

সমকালীন অসমীয়া সমাজখন হৈছে তেওঁৰ হাস্য-ব্যঙ্গ সৃষ্টিৰ পটভূমি। এজন অভিজ্ঞ সাংবাদিকৰ দৃষ্টিৰে তেওঁ সেই সমাজৰ মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত লোকৰ জীৱন গল্পৰ আকাৰত তুলি ধৰিছে। প্রায় ক্ষেত্রতে তেওঁৰ গল্পৰ চৰিত্র সহজ-সৰল। সংলাপো সহজে বোধগম্য হ'ব পৰা বিধৰ।নিভাঁজ কথিত ভাষাৰ ব্যৱহাৰ তেওঁৰ গল্পৰ আন এক মন কৰিবলগীয়া বিশেষত্ব।

হেমন্ত কুমাৰ শর্মাই উল্লেখ কৰিছে, "ফুকনৰ ৰচনা-ৰীতি অনাড়ম্বৰ যদিও প্রাঞ্জল। তেওঁৰ গল্পত আর্থিক অনাটনত জুৰুলা লোক আৰু বাহিৰ শুৱনি, অন্তঃসাৰশূন্য অভিজাত শ্রেণীৰ চৰিত্র বিশেষভাৱে অঙ্কিত হৈছে। ব্যঙ্গ চিত্রাঙ্কন ফুকনৰ ৰচনাৰ প্রধান

বৈচিত্র্য। ভালেমান গল্পত পীড়িত-নিঃস্বজনৰ প্রতি কাৰুণ্য-সহানুভূতি প্রকাশ পাইছে। ...'ওফাইডাং', 'বিহু সন্মিলন', 'টাইপিষ্টৰ জীৱন'ত তথাকথিত বাহিৰ শুৱনি অন্তঃসাৱশূন্য লোকক বিদ্রূপ কৰিছে।"

সমালোচকসকলৰ মতে লক্ষ্মীনাথ ফুকনৰ আৰম্ভণিৰ গল্পসমূহত তাৰুণ্যৰ ছাপ পৰিছে; গতিকে বহু সময়ত এই গল্পসমূহ প্রকৃত গল্পৰ শাৰীলৈ উঠিব পৰা নাই। *মালা*সঙ্কলনটিৰ গল্পৰ কথা এই প্রসঙ্গত উনুকিয়াব পাৰি।কিন্তু পৰৱর্তী গল্প সঙ্কলনসমূহত এজন সার্থক গল্পকাৰক বিচাৰি পোৱা যায়।

গতিকে এই আলোচনাসমূহৰ আধাৰত আমি লক্ষ্মীনাথ ফুকনৰ গল্পৰ বৈশিষ্ট্যসমূহ এনেদৰে দাঙি ধৰিব পাৰোঁ—

- অসমীয়া মধ্যবিত্ত লোকৰ সুখ-দুখ, মান-অভিমান আদি চাৰিত্রিক বিশেষত্ববোৰক ৰূপ দিয়াটো ফুকনৰ গল্পৰ মাজত প্রকাশিত বিশেষত্ব।
- আধুনিক সভ্যতাৰ বুকুত জীপ লোৱা ধনী আৰু মধ্যবিত্ত এদল মতা-তিৰোতাৰ বাহিৰ শুৱনি কিন্তু ভিতৰ ফোপোলা জীৱনৰ বাস্তৱ ছবি তেওঁৰ গল্পসমূহত অংকিত হৈছে। ভালেমান গল্পত পীড়িত-নিঃস্বজনৰ প্রতি কাৰুণ্য-সহানুভূতি প্রকাশ পাইছে।
- তেওঁ গল্পসমূহত হাস্য-ব্যঙ্গৰ সংযোগেৰে সংস্কাৰ চেতনা মূর্ত কৰি তুলিছে। হাস্য, ব্যঙ্গ, শ্লেষ আদিৰ যোগেদি তেওঁ সুন্দৰভাৱে কাহিনী কৈ যায়।
- ফুকনৰ কোমল হাস্যৰস সম্পৃক্ত, বুদ্ধিদীপ্ত পর্যবেক্ষণ শক্তিয়ে চৰিত্রৰ অন্তৰ আৰু বাহিৰৰ বিৰোধ লক্ষ্যণীয় ধৰণেৰে প্রকাশ কৰিবলৈ সক্ষম হৈছে।
- নিৰাবেগ বস্তুনিষ্ঠ বর্ণনা আৰু বিদ্বেষহীন হাস্য ফুকনৰ স্বকীয় বৈশিষ্ট্য।
- ফুকনৰ ৰচনা-ৰীতি অনাড়ম্বৰ যদিও প্রাঞ্জল। নিভাঁজ গ্রাম্য ভাষাৰ প্রয়োগৰ উপৰিও উপমাধর্মী ভাষাৰ প্রয়োগৰ বাবে লক্ষ্মীনাথ ফুকনৰ গল্প উপাদেয় হৈ পৰে।



অগ্রগতি নিৰীক্ষণ

২ নং প্রশ্ন ঃ লক্ষ্মীনাথ ফুকনৰ গল্পৰ কেইটিমান বৈশিষ্ট্য উল্লেখ কৰক। [150 টা শব্দৰ ভিতৰত)

৮.৪ 'মহিমাময়ী'

৮.৪.১ গল্পটোৰ কাহিনীভাগ

আপুনি জানি থওক যে, 'মহিমাময়ী' গল্পটি *ৰামধেনু* আলোচনীৰ চতুর্থ বছৰৰ তৃতীয় সংখ্যাত [1873 শক)ত প্রকাশ পাইছিল। গল্পটি লক্ষ্মীনাথ ফুকনৰ *ওফাইডাং* শীর্ষক গল্প সঙ্কলনটিতো অন্তর্ভুক্ত হৈছে। গল্পটিত মানৱ চৰিত্র আৰু মানৱীয় দুর্বলতাৰ সুন্দৰ প্রতিফলন ঘটিছে। কিছুমান মানুহে যিকোনো পৰিস্থিতিতে নিজৰ সহজাত

চাৰিত্রিক দুর্বলতা ত্যাগ কৰিব নোৱাৰে। তেনে এটি বিশেষ চৰিত্রৰ চিত্রণ আৰু তাৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ প্রকাশেই গল্পটিৰ কেন্দ্রীয় বিষয়।

ইতিমধ্যে আপুনি বুজি পাইছে যে, গল্পটিৰ নামকৰণ ইয়াৰ মুখ্য চৰিত্র মহিমাময়ীৰ নামেৰে কৰা হৈছে। মহিমাময়ী চৰিত্রৰ মন কৰিবলগীয়া বৈশিষ্ট্যটো হ'ল তেওঁৰ অত্যন্ত কটকিনা স্বভাৱ। এখন অভাৱহীন সংসাৰৰ গৰাকী হৈও মহিমাময়ীয়ে ঘৰুৱা সহায়কাৰী তৰববীক ভালদৰে চাহ একাপ বা ভাতকেইটা খাবলৈ দিব নোৱাৰে। সেয়েহে সংসাৰৰ প্রতিটো খোজতে হিচাপ-নিকাচ কৰি চলা মহিমাময়ীয়ে তেওঁৰ সন্তান পৱিত্র আৰু অমিয়াই খাই এৰা চাহ তৰববীক দিয়ে; আগদিনাৰ ৰৈ যোৱা ভাতেৰে তাইৰ দিনৰ সাঁজৰ জোৰা মাৰে।এনে স্বভাৱৰ কাৰণেই মহিমাময়ীৰলগত চাকৰ-চাকৰণী বেছিদিন নিটিকে। গতিকে প্রায়েই মহিমাময়ীয়ে নিজে ভাত-পানী ৰন্ধা আদি ঘৰুৱা কাম-কাজ কৰিবলগীয়া হয়।

মহিমাময়ীৰ পতি আনন্দই তেজপুৰৰ ফালৰ বকুলবন চাহ বাগিচাত বৰ কেৰাণীৰ কাম কৰে।এবছৰমান আগতে সাজি উলিওৱা গুৱাহাটীৰ ঘৰত মহিমাময়ীয়ে তেওঁলোকৰ ল'ৰা-ছোৱালীহালক লৈ থাকে। সুবিধা বুজি তেওঁ মাহেকে পযেকে একোবাৰ ঘৰলৈ আহে আৰু কেতিয়াবা নহাকৈও থাকে। আনন্দৰ চৰিত্র মহিমাময়ীৰ ঠিক ওলোটা। চৌখিনভাৱে থাকি-খাই আৰু আনকো খুৱাই-বুৱাই তেওঁ ভাল পায়। গতিকে আনন্দই ঘৰ চলাবৰ বাবে মহিমাময়ীৰ হাতত যথেষ্ট টকা দিয়ে। ল'ৰা-ছোৱালীহালৰ বাবে তেওঁ দুজন মাষ্টৰো ধৰি দিছে। সিহঁতে যাতে পুৱা-গধূলি ভাল গাখীৰ অকণ খাবলৈ পায় তাৰ কাৰণে দুজনী গাই কিনি দিছে। কিন্তু মহিমাময়ীয়ে এই আটাইবোৰ কথা জমা-খৰচৰ দৃষ্টিৰে চাই খৰচৰ ওজন বেছি হোৱা যেন অনুভৱ কৰে। তেওঁৰ দৃষ্টিত— "আটাইবোৰ ল'ৰাই আৰু মাষ্টৰ ধৰি পঢ়িছেনে? ইহঁতেনো মাষ্টৰ নোহোৱাকৈ পঢ়িব নোৱাৰিব কিয়?" তেওঁৰ মতে সিহঁতৰ ঘৰুৱা শিক্ষকৰ নামত খৰচ কৰা টকাকেইটা ডাকঘৰত সাঁচি ৰাখিব পৰা হ'লে বেছি লাভ হ'লহেঁতেন। আনন্দই এই কথা মানি নলয় বুলি তেওঁ জানে, গতিকে পতি আনন্দক একো নকয় যদিও মাষ্টৰ কোনোবাদিনা আহিব নোৱাৰিলে বা ল'ৰা-ছোৱালীহালৰ অসুখ-বিসুখৰ কাৰণ পঢ়াব নোৱাৰিলে তেওঁলোকৰ পইচা কাটি ৰখাত অকণো কৃপণালি নকৰে।

মহিমাময়ীয়ে অখণ্ড প্রতাপেৰে ৰাজত্ব কৰা এই অতি হিচাপী সংসাৰত তেতিয়া খেলিমেলি লাগিল, যেতিয়া নবীন তেওঁলোকৰ ঘৰলৈ দুদিনমান থকাকৈ আহিল। নবীন হ'ল আনন্দৰ বায়েকৰ ল'ৰা, অর্থাৎ ভাগিনীয়েক। নবীন অহাত মহিমাময়ীয়ে বাহিৰত ভাল পোৱা যেন দেখুৱালে যদিও মনে মনে সি সোনকালে গুচি যোৱাটোহে বিচাৰিছিল। যেন, 'গড়গঞা মিতিৰৰ ভাও, মুখেৰে বোলে থাক থাক ভৰিৰে হেঁচুকে নাও'। মুখেৰে মাককো লগত ননাৰ কাৰণে অভিযোগ কৰিলে, কিন্তু ভিতৰি ভিতৰি সি অহাৰ বাবে হ'বলগীয়া খৰচৰ হিচাপ কৰিবলৈ ধৰিলে। এতিয়ালৈকে তাৰ পঢ়াৰ

বাবদ মোমায়েকে অর্থাৎ আনন্দই কৰা খৰচৰ হিচাপ ল'বলৈও মহিমাময়ীয়ে নাপাহৰিলে।

আমোদজনকভাৱে নবীন অহাৰ পৰা মহিমাময়ীৰ খৰচ বহুত বাঢ়ি গ'ল। উদাহৰণ স্বৰূপে, নবীন অহাৰ দিনাই মাছ আনিবলৈ মানুহ নোহোৱাৰ অজুহাতত মহিমাময়ীয়ে তাক সুদাই-নিকাই ভাত খুৱাব খুজিলে। কিন্তু নবীনে নিজেই মাছ আনিবলৈ গ'ল। তাৰ বাবে মহিমাময়ীয়ে নবীনৰ ৰিক্সাৰ ভাড়াও ধৰি নগদ তিনি টকা খৰচ কৰিবলগীয়া হ'ল। আন এদিন নবীনে পৱিত্র আৰু অমিয়াক চিনেমা চাবলৈ নিলে। তাতো মহিমাময়ীয়ে কেইবা টকা ৰূপ ভৰিবলগীয়া হ'ল। ঠিক একেদৰে আন এদিন নবীনৰ জোতা মেৰামত কৰাৰ নামতো মহিমাময়ীয়ে মুঠ এটকা চাৰি অনা খৰচ কৰিবলগীয়া হ'ল। মহিমাময়ীয়ে প্রমাদ গণিলে। নবীনক সোনকালে খেদাটো মহিমাময়ীৰ বাবে বৰ প্রয়োজনীয় হৈ পৰিল। তেওঁ বিভিন্ন কৌশল খটুৱালে আৰু সোনকালে নবীনক দেখিবলৈ পাং পাতিলে। কিন্তু প্রতিটো প্রয়াসতে মহিমাময়ী বিফল হ'বলগীয়া হোৱাৰ লগতে হিতে বিপৰীতহে হ'ল। তেওঁ জ্বৰ আৰু মূৰ কামোৰণি হোৱাৰ ভাও ধৰিলে। তেওঁৰ মনৰ ভাব— নবীন খোৱা-বোৱাত ৰাপ থকা ল'ৰা; এতিয়া যদি মহিমাময়ীয়ে বেমাৰৰ ভাও ধৰি তাক লঘোনে ৰাখিব পাৰে, তেন্তে সি তেওঁলোকৰ ঘৰত থাকিবলৈ ভাল নোপোৱা হ'ব। গতিকে এয়ে হ'ল নবীনক খেদাৰ উত্তম উপায়। কিন্তু হিতে বিপৰীতহে ঘটিল। মায়েকৰ (অর্থাৎ মামীয়েকৰ) বেমাৰ বুলি শুনি নবীনে ডাক্তৰ মাতি আনিলেগৈ। ফলত ডাক্তৰৰ লগত মহিমাময়ীয়ে টকা খৰচ কৰিবলগীয়া হ'ল। তদুপৰি নিজে ৰন্ধা-বঢ়া কৰিবলৈ বুলি নবীন পাকঘৰত সোমালগৈ। পাকঘৰত সোমাই সি মহিমাময়ীয়ে পৱিত্রহঁতৰ কাৰণে লুকুৱাই থোৱা হাঁহকণী বিচাৰি উলিয়াই বাকী বস্তুবোৰো হাত খুলি খৰচ কৰি তৰববীৰ হতুৱাই ৰন্ধালে আৰু গোটেইকেইটাই তৃপ্তিৰে পিটি খালে। ইফালে মহিমাময়ীয়ে বিছনাত পৰি ছাটি-ফুটি কৰি থাকোঁতেই গ'ল।

মহিমাময়ীয়ে আগতে নবীনকঅনুৰোধ কৰামতেই নবীনৰমাকে ফটিকক চাকৰ হিচাপে ৰাখিবৰ কাৰণে মহিমাময়ীৰ ঘৰলৈ লৈ আহিল। এইবাৰো হিচাপ-নিকাচ কৰি চাই মহিমাময়ীয়ে দেখিলে যে, ঘৰুৱা সকলো কাম-কাজ আৰু গৰু দুজনী ৰখাৰ ভাৰ ফটিককদি আগৰ গৰুৰখীয়া নেপালী মানুহটোক বাদ দিব পাৰিলে তেওঁৰ লাভৰ বাহিৰে লোকচান নহয়। গতিকে সেই হিচাপ অনুসৰি মহিমাময়ীয়ে ফটিকক নিযুক্তি দিলে। অৱশ্যে অলপ দিন আলেখলেখ চাই মহিমাময়ীয়ে দেখিলে যে, ফটিকে বহুত ভাত খায়; কিন্তু গৰু দুজনীৰ বাবে ফটিকক খেদি দিব নোৱাৰা হ'ল।

অৱশেষত নবীন আৰু তাৰ মাক যাবলৈ ওলাল। কিন্তু যাবৰ পৰতো সি ৰেলৰ ভাৰা হিচাপে নগদ পঁচিশ টকা মহিমাময়ীৰ পৰা আদায় কৰিলে। আনহাতে, আগতে এদিন বেপাৰীৰ পৰা লোৱা বস্তুৰ বাবদ তিনি টকা আঠ অনাৰ ধাৰ আদায় দিবলৈও মহিমাময়ীক দায়িত্ব দি গ'ল। থূলমূলকৈ এয়াই হ'ল গল্পটিৰ কাহিনীভাগ।

৮.৪.২ গল্পটোৰ চৰিত্রসমূহ

'মহিমাময়ী' গল্পটোৰ চৰিত্রসমূহক নায়ক বা নায়িকাৰ চৰিত্র হিচাপে ভাগ কৰিব নোৱাৰি। গল্পটিৰ প্রধান চৰিত্রকেইটা হ'ল মহিমাময়ী আৰু নবীন। চৰিত্র দুটিৰ কার্যকলাপ আৰু বুদ্ধিৰ সংঘাতে গল্পটিৰ কাহিনীভাগ আগবঢ়াই লৈ গৈছে। আন আন গৌণ পুৰুষ চৰিত্রৰ ভিতৰত আছে— পৰিত্র, ফটিক, জোতা চিলাই কৰা মুচী আদি। গৌণ নাৰী চৰিত্রৰ ভিতৰত উল্লেখ কৰিব পাৰি— অমিয়া, তৰবৰী, মাছৰ পোহাৰী আদি। মহিমাময়ীৰ পতি আনন্দ আৰু নবীনৰ মাক— এই দুয়োটা হৈছে পার্শ্ব চৰিত্র।

মহিমাময়ী হৈছে গল্পটোৰ কেন্দ্রীয় চৰিত্র। তেওঁ চাৰিত্রিক বৈশিষ্ট্য তথা দুর্বলতাক কেন্দ্র কৰিয়েই গল্পটিৰ কাহিনীভাগ গঢ় লৈ উঠিছে। অত্যন্ত কৃপণ স্বভাৱৰ বাবে তেওঁ ঘৰ-সংসাৰৰ প্রতিটো পদক্ষেপতে যথেষ্ট হিচাপ-নিকাচ কৰি চলে। পতি আনন্দই খোৱা-বোৱাত কৰা খৰচ মহিমাময়ীৰ মতে অপব্যয় মাথোন। যিকোনো এগৰাকী সাধাৰণ মধ্যবিত্ত গৃহিণীৰ দৰে তেওঁ পা-পইচা বা খোৱা বস্তু সাঁচি ৰাখিব খোজে। কিন্তু সময়ভেদে তেওঁৰ এই সাঁচিৰখাৰ প্রৱণতাই মাত্রা চেৰাই গৈছে। উদাহৰণস্বৰূপে, ল'ৰা-ছোৱালী দুটাৰ ঘৰুৱা শিক্ষকৰ বাবদ হোৱা খৰচ তেওঁৰ মানত অপ্রয়োজনীয় খৰচ। তেওঁৰ মতে, দুজন মাষ্টৰক মাহে মাহে কুৰি টকাকৈ চল্লিশ টকা ৰূপ দিয়াতকৈ সেই পইচা ডাকঘৰত থোৱা হ'লে বছৰেকত 480 টকা জমা হ'লহেঁতেন। গতিকে মহিমাময়ীয়ে সুবিধা পালেই ঘৰুৱা শিক্ষকৰ পাবলগীয়া পইচা কাটি ৰাখিবলৈ ভাল পায়। আকৌ খোৱা-বোৱা হোৱাৰ পিছত গাখীৰৰ চচপেন, আটা, ঘিউ, চেনিৰ টিন আদি আটাইবোৰ বস্তু আলমাৰিত সুমুৱাই তলা লগাই থোৱাৰ পিছতহে মহিমাময়ীয়ে শান্তি পায়। আনহাতে, তৰবৰীৰ প্রতি কৰা ব্যৱহাৰে মহিমাময়ীক এগৰাকী নিষ্ঠুৰ ব্যক্তি হিচাপে প্রতিপন্ন কৰে।

এনে স্বভাৱৰমহিমাময়ীয়ে তেওঁপতি আনন্দৰ ভাগিনীয়েক নবীন তেওঁলোকৰ ঘৰলৈ দুদিনমান থকাকৈ অহা বাবে বেয়া পোৱাটো তেনেই স্বাভাৱিক। ইফালে দেউতাকৰ মৃত্যুৰপাছত নবীনৰ পঢ়াৰ খা-খৰচ সকলো মোমায়েকঅর্থাৎ আনন্দয়েই বহন কৰি আহিছে। গতিকে মহিমাময়ীয়ে সেই কথাটোও মুখেৰে ফুটাই নক'লেও মনেৰে ভাল নাপায়। কিন্তু কৃপণ হ'লেওমহিমাময়ী অভদ্র নহয়।গতিকে তেওঁ এই বেয়া পোৱাৰ ভাব বাহিৰত প্রকাশ পাবলৈ দিয়া নাই। নবীন অহাৰ বাবে মুখেৰে ভাল পোৱাৰ ভাব দেখুওৱাই নহয়, আনকি তাৰ মাককো লগত ননাৰ বাবে নবীনৰ ওচৰত অভিযোগহে কৰিছে।

যি হওক, নবীনক যিমান সোনকালে পাৰে ঘৰৰ পৰা খেদিবলৈ মহিমাময়ীয়ে যৎপৰোনাস্তি চেষ্টা কৰিছে। কিন্তু প্রতিবাৰতে হিতে বিপৰীত ঘটনাহে ঘটিছে। এই ঘটনাবোৰে এফালে পাঠকক হাঁহিৰ খোৰাক যোগোৱাৰ লগতে আনফালে মহিমাময়ীৰ অৱস্থাৰ বাবে পুতৌৰ উদ্রেক নকৰি নাথাকে।

নবীন হৈছে গল্পটোৰ প্রধান পুৰুষ চৰিত্র। সম্পর্কত ভাগিনীয়েক নবীনে

মহিমাময়ীৰ কটকিনা স্বভাৱক উচিত প্ৰত্যুত্তৰ দিছে। মহিমাময়ী যদি ডালে ডালে তেন্তে নবীন পাতে পাতে বগাব পৰা বিধৰ চৰিত্ৰ। মহিমাময়ীয়ে নবীনক ঘৰৰ পৰা খেদাবৰ বাবে যিমানেই চেষ্টা কৰিবলৈ ধৰিলে, সিমানেই নবীনে মামীয়েকক পইচা খৰচ কৰিবলৈ বাধ্য কৰালে। মামীয়েকৰ হাত ধৰি চলা স্বভাৱক আওকাণ কৰি নবীনে তেওঁৰ পৰা পইচা লৈ পৱিত্ৰ আৰু অমিয়াক চিনেমা দেখুৱাবলৈ লৈ গ'ল; জোতা চিলোৱালে; ডাক্তৰ মাতি আনিলে। এই আটাইবোৰ কথাই এহাতে নবীনৰ খৰচী স্বভাৱৰ প্ৰতিফলন ঘটায়; আনহাতে, মহিমাময়ী চৰিত্ৰৰ হাত ধৰি চলা চৰিত্ৰক অধিক স্পষ্ট কৰি তোলে।

পৱিত্ৰ আৰু অমিয়া মহিমাময়ীৰ দুই সন্তান। পৱিত্ৰই হাইস্কুলৰ সপ্তম শ্ৰেণীত আৰু অমিয়াই পঞ্চম শ্ৰেণীত পঢ়ে। গল্পটিৰ কাহিনীভাগৰ অগ্ৰগতিত চৰিত্ৰ দুটিয়ে প্ৰত্যক্ষভাৱে বিশেষ অৱিহণা আগবঢ়োৱা নাই যদিও পৰোক্ষভাৱে যথেষ্ট অৱদান আগবঢ়াইছে। সৰু ল'ৰা-ছোৱালীৰ স্বভাৱসুলভ সৰলতাৰে সিহঁতে নবীন সিহঁতৰ ঘৰলৈ অহা বাবে বৰ আনন্দ লাভ কৰিছে। নবীনৰ লগত চিনেমা চাবলৈ গৈ দুয়ো, বিশেষকৈ অমিয়া যথেষ্ট আনন্দিত হৈছে। সিহঁত তাতোকৈ বেছি আনন্দিত হৈছে হোটেলত চাহ-চিঙৰা আৰু ৰসগোল্লা খাবলৈ পাই। কাৰণ সিহঁতৰ বাবে সেই অভিজ্ঞতা সম্পূৰ্ণ নতুন। উলাহতে অমিয়াই আনকি নবীনক সিহঁতৰ ঘৰতে থাকি পঢ়িবলৈও অনুৰোধ কৰিছে, যাতে সিহঁতে সদায় চিনেমা চাব আৰু মিঠাই খাব পাৰে। অমিয়া স্বভাৱতে মৰমীয়াল। গতিকে মাকে জ্বৰ আৰু মূৰৰ কামোৰণি হোৱাৰ ভাও ধৰি বিছনাত পৰি থকা অৱস্থাত অমিয়াই মাকৰ মূৰ পিটিকি দি মাকক কিঞ্চিৎ সকাহ দিবলৈ যথাসাধ্যে চেষ্টা কৰিছে।

তৰবৰী গল্পটিৰ আন এটি চৰিত্ৰ। মহিমাময়ীৰ ঘৰৰ ঘৰুৱা সহায়কাৰী হিচাপে থকা তৰবৰীয়ে থকা-খোৱাত মহিমাময়ীয়ে দিয়া অসুবিধা সত্ত্বেও তেওঁৰ ঘৰত থাকিবলৈ বাধ্য। কাৰণ তাইৰ দেউতাকে ইতিমধ্যেই মহিমাময়ীৰ পৰা নগদ ষাঠি টকা আগধন হিচাপে নি থৈছে। আনহাতে মাহে ছটকা হিচাপে তাই মহিমাময়ীৰ ঘৰত থাকিবলগীয়া দহ মাহৰ তিনি মাহমানহে উকলিছে। ইয়াৰে সুবিধা লৈ মহিমাময়ীয়ে তৰবৰীক পাৰে মানে খুটৰায়; কিন্তু খোৱা-বোৱা দিয়াৰ ক্ষেত্ৰত টানি ধৰে। ইয়াৰ মাজেৰে বহু সময়ত তৰবৰীৰ অসহায় অৱস্থা প্ৰতিফলিত হৈছে। চৰিত্ৰটিয়ে মহিমাময়ীৰ কৃপণালি স্পষ্ট কৰি তোলাত অৱিহণা যোগাইছে।

ফটিক গল্পটিৰ এটি গৌণ চৰিত্ৰ যদিও চৰিত্ৰটিয়ে কম সময়ৰ ভিতৰতে গল্পটিত এটুকুৰা সুকীয়া ঠাই দখল কৰিছে। গল্পৰ শেষৰ ফালে আগমন ঘটা ফটিক চাকৰ হিচাপে মহিমাময়ীৰ ঘৰলৈ আহিছে। কিন্তু ফটিক আনবোৰ চাকৰৰ দৰে পৰি মৰা বিধৰ নহয়। সি ইতিমধ্যে তিনি বছৰৰ ভিতৰত ছঘৰ নে সাতঘৰ বাগৰিছে; গুৱাহাটীতো এবাৰ আছিল। সি নিজে কোৱামতে সি আগতে চাকৰিতকৈ 'এখোপ ওখ' খাপৰ চাপ্ৰাচীৰ চাকৰি কৰিছিল। সেয়ে তাৰ থকা-খোৱা আদিৰ ক্ষেত্ৰত আন চাকৰতকৈ কিছু পাৰ্থক্য আছে। যেনে, সি জোতাযোৰ নিপিন্ধাকৈ বজাৰ কৰিবলৈ নাযায়; কাপোৰ-কানি অলপমান

লেতেৰা হ'লেই চাবোন সানি ধুই লয় আৰু সুবিধা পালে মহিমাময়ী আৰু নবীনৰ মাকে নেদেখাকৈ চকীতো বহে। তদুপৰি তৰববীৰ দৰে সি সুদাই-নিকাই ভাত খোৱা বিধৰ মানুহ নহয়, দাইল-আঞ্জা নহ'লে গাখীৰ অকণ হ'লেও তাক লাগে। গতিকে মহিমাময়ীৰ ঘৰলৈ আহিয়েই সি প্ৰথমে নিজৰ দৰমহাৰ দৰ-দাম কৰি লৈছে। তাৰ মতে তাৰ দৰমহা ঘৰৰ ৰজাৰ কৰা-নকৰাৰ ওপৰতো নিৰ্ভৰ কৰিব। যদি ঘৰৰ বজাৰো কৰিব লাগে তেন্তে তাৰ দৰমহা হ'ব পোন্ধৰ টকা আৰু যদি কৰিব নালাগে তেন্তে কুৰি টকা। তদুপৰি সি ছুৱা ধোৱা আৰু মেখেলা চেপা কাম দুটা নকৰে; তাৰ বাহিৰে সকলো কাম কৰিব। ইতিমধ্যে মহিমাময়ীয়ে হিচাপ কৰি পালে যে তাক গৰু দুজনী চোৱাৰ কামটোও দিব পাৰিলে গৰু চোৱা-চিতা কৰা নেপালী মানুহটোক মাহে দি থকা পঁচিশ টকা ৰাহি হ'ব। সেই প্ৰস্তাৱ শুনি ফটিকে লগে লগে নিজৰ দাম (বজাৰ কৰিবলৈ কোৱাৰ পাছতো) কুৰি টকাকৈ ঠিক কৰি লৈছে। গতিকে অতি বেছি হিচাপী মহিমাময়ীৰ সংসাৰত ফটিক চাকৰ হিচাপে অপৰিহাৰ্য হৈ পৰিছে যদিও তাক লৈ মহিমাময়ী সম্পূৰ্ণ সন্তুষ্ট হ'ব পৰা নাই।

জোতা চিলাই কৰা মুচীৰ দৰে নিতান্ত সাধাৰণ চৰিত্ৰই মহিমাময়ীৰ ঠগবাজী প্ৰতিফলিত কৰি তুলিছে। মুচীক মাতি আনি নবীনে নিজৰ জোতাৰ গোৱোৱা মেৰামতি কৰাৰ খৰচ মহিমাময়ীক কৰোৱাইছে। আনহাতে মহিমাময়ীয়ে মুচীৰ লগত নবীনে আগতে ঠিক কৰি থোৱা দাম এটকা বাৰ অনাৰ পৰাও আকৌ দৰদাম কৰি সেয়া এটকা চাৰি অনালৈ কমাইছেই; তদুপৰি বুঢ়া মুচীক পাকিস্তানী সিকি দিও ঠগিছে। পোহাৰীৰ চৰিত্ৰটি গল্পটিৰ আন এটি সমধৰ্মী চৰিত্ৰ।

আনন্দ, মহিমাময়ীৰ স্বামী, কিন্তু চৰিত্ৰটিৰ উল্লেখ মাত্ৰহে গল্পটিত কৰা হৈছে; চৰিত্ৰটি প্ৰত্যক্ষভাৱে সন্মুখলৈ অহা নাই। পাৰ্শ্বচৰিত্ৰ যদিও তেওঁৰ বিষয়ে যিখিনি কথা গম পোৱা যায় তাৰ পৰা জানিব পাৰি যে তেওঁ মহিমাময়ীৰ সম্পূৰ্ণ বিপৰীত স্বভাৱৰ চৰিত্ৰ। তেওঁ চৌখিন আৰু ধোৱাখুলীয়া ধৰণৰ। নিজে ভালদৰে খায় আৰু আনকো খুৱাই ভাল পায়। মহিমাময়ী যেতিয়ালৈকে তেওঁৰ লগত আছিল তেতিয়ালৈকে তেওঁৰ মতেই চলিছিল; কিন্তু, যেতিয়াই গুৱাহাটীত ঘৰ সজালে, তেতিয়াৰ পৰা আনন্দ অকলে বাগিচাত থাকে আৰু মহিমাময়ী ল'ৰা-ছোৱালীসহ গুৱাহাটীৰ ঘৰত থাকে।

একেদৰে নবীনৰ মাকৰ চৰিত্ৰৰ উল্লেখ গল্পটিত আছে যদিও চৰিত্ৰটিয়ে বিশেষ ভূমিকা পালন কৰা নাই।



অগ্ৰগতি নিৰীক্ষণ

৩ নং প্ৰশ্ন ঃ ফটিক চৰিত্ৰটোৰ বিষয়ে চমুকৈ লিখক। [150 টা শব্দৰ ভিতৰত)

৮.৪.৩ গল্পটোৰ সাধাৰণ আলোচনা

ইতিপূর্বে কৰা আলোচনাৰ পৰা আপুনি নিশ্চয় অনুভৱ কৰিব পাৰিছে যে, গল্পকাৰ লক্ষ্মীনাথ ফুকনে মানুহৰ স্বভাৱ-চৰিত্রক কেন্দ্র কৰি যিকেইটা সার্থক গল্প ৰচনা কৰিছে তাৰ ভিতৰত 'মহিমাময়ী' গল্পটি অন্যতম। মহিমাময়ীৰ চৰিত্র ফুটাই তোলাত গল্পকাৰে যথেষ্ট দক্ষতাৰ পৰিচয় দিছে। কিছুমান মানুহ বিনা কাৰণতে যথেষ্ট কৃপণ স্বভাৱৰ হয়। মহিমাময়ী তেনে ধৰণৰে এটি চৰিত্র।

গল্পটিৰ বিষয়ে ত্রৈলোক্যনাথ গোস্বামীয়ে উল্লেখ কৰিছে যে, "...'মহিমাময়ী' গল্পত মহিমাময়ীয়ে নিজৰ সন্তান পৰিত্র আৰু অমিয়াই খাই এৰা চাহটুপি তৰবৰীক দিয়ে, মাষ্টৰৰ দর্মহা কাটে আৰু গিৰীয়েকৰ বায়েকৰ ল'ৰা নবীনক বাহিৰত আদৰ কৰে কিন্তু ভিতৰি সি গুচি গ'লে ভাল পায়। নবীন মহিমাময়ীৰ ওলোটা। মহিমাময়ীয়ে নানান কৌশল কৰিও নবীনৰ হাতত পৰাস্ত হয়। দুয়োৰে চাৰিত্রিক বৈষম্যই দুয়োকে স্পষ্ট কৰি তুলিছে আৰু আধুনিক জীৱনৰ বাহ্যিক মৰম-স্নেহ প্রদর্শনৰ অন্তঃসাৰশূন্যতা ব্যঞ্জিত কৰিছে।"

এই বিষয়ে আনন্দ বৰমুদৈয়ে উল্লেখ কৰিছে যে, "...*ৰামধেনুত* প্রকাশিত 'মহিমাময়ী'ত ব্যঙ্গৰ মাজেৰে পাঠকৰ পুতৌৰ পাত্রী কৰা হৈছে মানৰীয় মূল্যবোধতকৈও নগদ টকা সঁচাৰ প্রতি তেওঁৰ বাঢ়ি অহা আগ্রহৰ কাৰণে মনৰ ভাব গোপন কৰি লেৰেলা সাদৰ দেখুওৱা মহিমাময়ী নবীনৰ ওচৰত পৰাজিত হৈছে বুদ্ধিৰ যুদ্ধত আৰু কৃপণালিৰ মাত্রা চেৰাই যোৱাৰ ফলত খৰচ অনেক গুণ বৃদ্ধি পাইছে। নগদ ধনৰ প্রতি মোহে কিদৰে পুৰণি মানৰীয় সম্পর্কক সলনি কৰিছে তাৰ ইঙ্গিত গল্পটোত আছে। মহিমাময়ীৰ স্বভাৱৰ কোনো পৰিৱর্তন হোৱাৰ সম্ভাৱনা নাই।"

হেমন্ত কুমাৰ শর্মাই উল্লেখ কৰিছে, "...'মহিমাময়ী' গল্পত কটকিনা স্বভাৱৰ মামীয়েক মহিমাময়ী ভাগিনীয়েক নবীনৰ লগত পৰি কেনেকৈ খৰচান্ত হ'বলগীয়া হ'ল তাৰ মাজেদি মধুৰ হাস্যৰস লেখকে সৃষ্টি কৰিছে।"

অৱশ্যে আপুনি নিশ্চয় মন কৰিছে যে, গল্পটিত নবীন এটি অন্যতম গুৰুত্বপূর্ণ চৰিত্র যদিও চৰিত্রটিৰ মনস্তাত্ত্বিক বিশ্লেষণত গল্পকাৰে বিশেষ গুৰুত্ব প্রদান কৰা নাই। নবীনে মহিমাময়ীৰ কৃপণ স্বভাৱৰ বিষয়ে জানে নে নেজানে সেই কথাও গল্পটিত স্পষ্ট হোৱা নাই। লক্ষ্যণীয় যে, নবীন আৰু মহিমাময়ী— দুয়োটা চৰিত্রৰ চাৰিত্রিক বৈষম্যই মহিমাময়ী চৰিত্রৰ বিশেষত্ব অধিক স্পষ্ট কৰি তুলিছে।

৮.৪.৪ গল্পটোৰ বিশেষত্ব

গল্পকাৰ লক্ষ্মীনাথ ফুকনে মধ্যবিত্ত শ্রেণীৰ লোকৰ চাৰিত্রিক বৈশিষ্ট্য প্রকাশক যিকেইটা গল্প ৰচনা কৰিছে, তাৰ ভিতৰত 'মহিমাময়ী' গল্পটি অন্যতম। গল্পটিৰ জৰিয়তে মহিমাময়ীৰ দৰে চৰিত্রৰ চাৰিত্রিক বৈশিষ্ট্য তথা দুর্বলতাৰ সুন্দৰ প্রতিফলন ঘটিছে।

হাস্য, ব্যঙ্গ তথা শ্লেষৰ প্ৰয়োগ গল্পটিৰ আন এটি মন কৰিবলগীয়া বিশেষত্ব।

গল্পটিৰ জৰিয়তে ভিতৰ ফোপোলা অথচ বাহিৰত শুৱনি অন্তঃসাৰশূন্য লোকৰ চৰিত্ৰৰ প্ৰতিফলন ঘটিছে। গল্পটিয়ে চৰিত্ৰৰ অন্তৰ আৰু বাহিৰৰ বিৰোধ সুন্দৰকৈ স্পষ্ট কৰি তুলিছে। মহিমাময়ী আৰু নবীনৰ কাৰ্যকলাপ আৰু পা�ৰস্পৰিক বুদ্ধিৰ খেলে যদিও গল্পটিৰ কাহিনী গঢ় দিছে, কিন্তু এই অৱস্থাটো গভীৰ সংঘাতৰ পৰ্যায়লৈ যোৱা নাই।

গল্পকাৰগৰাকীয়ে মানৱীয় চৰিত্ৰৰ দুৰ্বলতাক যথেষ্ট সংহতভাৱে উপস্থাপন কৰিছে। 'মহিমাময়ী' চৰিত্ৰৰ এই বিশেষত্ব প্ৰকাশ কৰিবলৈ যাওঁতে হাস্য-ব্যঙ্গৰ সৃষ্টি লক্ষ্যণীয়। কিন্তু এই চাৰিত্ৰিক দুৰ্বলতাক তেওঁ যথেষ্ট সহানুভূতিৰ চকুৰে চাইছে বাবে পাঠকৰ মনত চৰিত্ৰটিৰ প্ৰতি বিশেষ বিৰূপ মনোভাৱৰ সৃষ্টি হোৱা নাই।

আনহাতে গল্পটিয়ে সমকালীন অসমৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ ওপৰতো সামান্য আলোকপাত কৰিব পাৰিছে। উদাহৰণস্বৰূপে, নবীনে ডাক্তৰ মাতি আনিবলৈ গৈ "ডাক্তৰ বৰুৱা কংগ্ৰেছৰ কামত গাঁৱত আছেগৈ" বুলি জানিব পাৰিছে। বিভিন্ন বয়-বস্তু আদিৰ দৰ-ভাও সম্পৰ্কে গল্পটিয়ে আও-ভাও দিব পাৰিছে। চাকৰিজীৱী সমাজ তথা সেই সমাজত বসবাস কৰা ব্যক্তিসকলৰ সমস্যা, ব্যক্তিগত জীৱন আদিৰ ওপৰতো গল্পটিয়ে আলোকপাত কৰিছে। গল্পটিত ব্যৱহৃত ভাষা সহজ-সৰল আৰু অনাড়ম্বৰ। সংলাপসমূহে চৰিত্ৰৰ অন্তৰ্জগতৰ সুন্দৰ প্ৰতিফলন ঘটাইছে।



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আৱাহন যুগ অসমীয়া গল্প-সাহিত্যৰ দৃষ্টিৰে এটি গুৰুত্বপূৰ্ণ যুগ। এই সময়ছোৱাৰ লেখত ল'বলগীয়া গল্পকাৰৰ ভিতৰত লক্ষ্মীনাথ ফুকন অন্যতম। উল্লেখযোগ্য যে, লক্ষ্মীনাথ ফুকনে 'আৱাহন'ৰ আগৰে পৰা অৰ্থাৎ 'জোনাকী'ৰ সময়ৰে পৰা গল্প ৰচনাত হাত দি পৰৱৰ্তী ৰামধেনু যুগলৈকে গল্প লিখি গৈছে। একাধাৰে গল্পকাৰ, কবি লক্ষ্মীনাথ ফুকন অসমীয়া সংবাদ-পত্ৰ জগতৰো এটি চিনাকি নাম।
- লক্ষ্মীনাথ ফুকনৰ গল্পসমূহত মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ প্ৰতিফলন ঘটিছে। হাস্য, ব্যঙ্গ আৰু শ্লেষৰ প্ৰয়োগ ফুকনৰ গল্পৰ মন কৰিবলগীয়া বিশেষত্ব। তদুপৰি তেওঁৰ গল্পৰ ভাষা সহজ-সৰল আৰু অজটিল।
- লক্ষ্মীনাথ ফুকনৰ লেখত ল'বলগীয়া গল্পসমূহৰ ভিতৰত 'মহিমাময়ী' গল্পটি অন্যতম। গল্পটি *ৰামধেনু* আলোচনীৰ চতুৰ্থ বছৰৰ তৃতীয় সংখ্যাত প্ৰকাশ পাইছিল। গল্পটি তেওঁৰ 'ওফাইডাং' শীৰ্ষক সঙ্কলনটিতো সন্নিবিষ্ট হৈছে।
- 'মহিমাময়ী' গল্পটিত মহিমাময়ী আৰু নবীনৰ পাৰস্পৰিক চাৰিত্ৰিক বিশেষত্ব আৰু বুদ্ধিৰ খেলে গল্পটিৰ কাহিনীভাগ আগবঢ়াই লৈ গৈছে। স্বভাৱতে কৃপণ মহিমাময়ীয়ে

নবীনৰ লগত বুদ্ধিৰ খেলত হাৰি লটিঘটি হ'বলগীয়া হৈছে।



৮.৬ অধিক জানিবলৈ

1] গগৈ, হৃদয়ানন্দ (সঙ্ক. আৰু সম্পা.) [1999] ঃ *ৰামধেনু শ্ৰেষ্ঠ গল্প;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন¼

2] গোস্বামী, ত্ৰৈলোক্যনাথ [1987] ঃ *আধুনিক অসমীয়া গল্প সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড¼

3] দাস, যোগেশ [1988] ঃ *অসমীয়া গল্প-চয়ন* (পাতনি); গুৱাহাটী ঃ অসম মাধ্যমিক শিক্ষা পৰিষদ¼

4] নেওগ, মহেশ্বৰ আৰু অন্যান্যসকল (সম্পা.) [1978] ঃ *অসমীয়া গল্পগুচ্ছ* (ভূমিকা); যোৱহাট ঃ অসম সাহিত্য সভা¼

5] বৰদলৈ, নিৰ্মলপ্ৰভা (সঙ্ক.) [2009] ঃ *অসমীয়া গল্প সঙ্কলন* ('অসমীয়া চুটিগল্পৰ ধাৰা' শীৰ্ষক পাতনি); নতুন দিল্লী ঃ নেশ্যনেল বুক ট্ৰাষ্ট¼

6] বৰা, অপূৰ্ব (সম্পা.) [2012] ঃ *অসমীয়া চুটিগল্প ঃ ঐতিহ্য আৰু বিবৰ্তন;* যোৱহাট ঃ যোৱহাট কেন্দ্ৰীয় মহাবিদ্যালয় প্ৰকাশন কোষ¼

7] বৰুৱা, প্ৰহ্লাদ কুমাৰ [2005] ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন;* ডিব্ৰুগড় ঃ বনলতা¼

8] ভট্টাচাৰ্য্য, পৰাগ কুমাৰ [1993] ঃ *গল্পৰ প্ৰসঙ্গ আৰু অসমীয়া গল্প সাহিত্য;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ¼

9] ভূঞা, যোগেন্দ্ৰ নাৰায়ণ (মুখ্য সম্পা.) আৰু অন্যান্য [2003] ঃ *বিশ্বকোষ* (চতুৰ্থ খণ্ড); যোৱহাট ঃ অসম সাহিত্য সভা¼

10] শইকীয়া, চন্দ্ৰপ্ৰসাদ (মুখ্য সম্পা.) [1998] ঃ *অসমৰ বাতৰিকাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস;* প্ৰফুল্ল চন্দ্ৰ বৰুৱা, প্ৰধান সম্পাদক, গুৱাহাটী ঃ অসমৰ বাতৰি কাকতৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতি¼

11] শইকীয়া বৰা, লীলাৱতী [2003] ঃ *অসমীয়া চুটিগল্পৰ প্ৰবাহ* ('চুটি গল্পৰ উদ্ভৱ আৰু বিকাশ বিশ্ব চুটি গল্পৰ পৰা অসমীয়া চুটি গল্পলৈ' শীৰ্ষক ভূমিকা); গুৱাহাটী ঃ বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়¼

12] শৰ্মা, সত্যেন্দ্ৰনাথ [2006] ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ¼

13] শৰ্মা, হেমন্ত কুমাৰ [2013] ঃ *অসমীয় সাহিত্যত দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী¼

14] শৰ্মা দলৈ, হৰিনাথ [2012] ঃ *অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস;* নলবাৰী ঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী¼



৮.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ ফুকনৰ চমু পৰিচয়... ...তেওঁৰ কর্মজীৱনৰ চমু লেখ... ...ৰচনা কৃতিৰ চমু পৰিচয়।

২ নং প্রশ্নৰ উত্তৰ ঃ লক্ষ্মীনাথ ফুকনৰ চুটিগল্পৰ দুই-তিনিটামান বৈশিষ্ট্য উল্লেখ কৰি তাৰ চমু আলোচনা।

৩ নং প্রশ্নৰ উত্তৰ ঃ ফটিকৰ পৰিচয়... ...ফটিকৰ চৰিত্রৰ বিশ্লেষণ।



৮.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমীয়া চুটিগল্পৰ ইতিহাসত লক্ষ্মীনাথ ফুকনৰ স্থান নির্ণয় কৰক।

প্রশ্ন ২ ঃ লক্ষ্মীনাথ ফুকনৰ জীৱন আৰু কর্মৰাজিৰ বিষয়ে আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ লক্ষ্মীনাথ ফুকনৰ গল্পসমূহত প্রকাশ পোৱা বৈশিষ্ট্যসমূহ কি কি?

প্রশ্ন ৪ ঃ প্রাত্যহিক জীৱনৰ সূক্ষ্ম দিশসমূহৰ চিত্রণত লক্ষ্মীনাথ ফুকনে কেনে ধৰণৰ নৈপুণ্যৰ পৰিচয় দিছে তাক 'মহিমাময়ী' গল্পটোৰ মাজেদি বিশ্লেষণ কৰক।

প্রশ্ন ৫ ঃ মধ্যবিত্ত জীৱনৰ অন্তঃসাৰশূন্যতা 'মহিমাময়ী' গল্পটোৰ মাজেদি কিদৰে ফুটি উঠিছে বিচাৰ কৰক?

প্রশ্ন ৬ ঃ 'মহিমাময়ী' গল্পটোৰ মূল চৰিত্রকেইটাৰ বিশ্লেষণ আগবঢ়াওক।

প্রশ্ন ৭ ঃ 'মহিমাময়ী'ৰ মাজেদি নাৰীৰ চিৰন্তন ৰূপ আৰু গুণাৱলী ফুটি উঠিছেনে?

প্রশ্ন ৮ ঃ মহিমাময়ীৰ চৰিত্র বিশ্লেষণ কৰি তেওঁ কৃপণ নে হিচাপী আছিল তাৰ যুক্তি দর্শাওক।

*** ***** ***